**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪০/২০২০**

## বঙাইগাঁও আৰু বৰপেটা জিলাৰ কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাস্তাৰ কাষত গাড়ী ৰখাই আশা কৰ্মীৰ সৈতে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসমৰ বাহিৰত থকা লোকসকল যাতে নিৰাপদে থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ৰাজ্যলৈ পত্ৰ প্ৰেৰণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে লোৱা ব্যৱস্থাৱলী পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যৰে বঙাইগাঁও অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে আছুতীয়া কক্ষকে ধৰি অন্যান্য ব্যৱস্থাৱাজিও প্ৰত্যক্ষ কৰে। এই পৰিদৰ্শনৰ সময়ত খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী আৰু বিধায়ক বিমল বৰাৰ লগতে জিলাখনৰ স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে বঙাইগাঁৱলৈ গৈ থকা অৱস্থাত গোৱালপাৰা জিলাৰ আগিয়াত কৰ্তব্যৰত অৱস্থাত থকা আশা কৰ্মীসকলৰ সৈতে পথৰ কাষত মত-বিনিময় কৰে। কুৱাৰেনটাইনৰ ডিউটিত থকা আশা কৰ্মীসকলে তেওঁলোকে কৰি থকা কাম-কাজৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে অতি নিষ্ঠাৰে আৰু জনসেৱাৰ মনোভাৱৰে কাম কৰি থকা আশা কৰ্মী কেইগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ পিছতে বঙাইগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক বৈঠকতো অংশ গ্ৰহণ কৰে। বৈঠকত কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহ উপায়ুক্তগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। উপায়ুক্তগৰাকীয়ে চৰকাৰী আৰু ব্যক্তিগতখণ্ডৰ চিকিৎসালয়ত গ্ৰহণ কৰা ব্যৱস্থা, জনসচেতনতা সৃষ্টি, চক্ৰ বিষয়া পৰ্যায়ত হোৱা বৈঠক, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগকে ধৰি বিভিন্ন বিভাগে গ্ৰহণ কৰা ব্যৱস্থাৱাজিৰ বিষয়ে সবিশেষ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰিব লাগিলে সকলোৰে সামাজিক ব্যৱধান মানি চলিব লাগিব। মুখ্যমন্ত্ৰীয়ে জনসচেতনতা সৃষ্টিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিবলৈও উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচীৰ প্ৰতি জনসাধাৰণে সঁহাৰি জনাইছে। সেইবাবে প্ৰশাসনো জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ’ব লাগিব। জৰুৰী সেৱা আৰু অত্যাৱশ্যকীয় সামগ্ৰী যোগান সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। জিলাখনৰ নিৰীক্ষণ কোষটো অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণে যোগাযোগ কৰিলে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চিকিৎসক, নাৰ্ছ, আশা কৰ্মী, ছাফাই কৰ্মীসকলে দিনে-নিশাই সেৱা কৰি আহিছে। তেওঁলোকক অধিক উৎসাহিত কৰা উচিত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লক্-ডাউনৰ সময়ছোৱাত জনসাধাৰণে কিদৰে সামাজিক ব্যৱধান মানি চলিছে তাক প্ৰাত্যহিক নিৰীক্ষণ কৰিবলৈও উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আৰক্ষী বিভাগক নৈশ পেট্ৰ’লিঙৰ ব্যৱস্থা শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে চহৰখন অধিক পৰিস্কাৰ-পৰিচ্ছন্ন কৰি তুলিবলৈ পৌৰসভাৰ অধ্যক্ষক নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ এই বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, বিধয়াক বিমল বৰা, উপায়ুক্ত ড° এম এছ লক্ষ্মীপ্ৰিয়া, আৰক্ষী অধীক্ষক প্ৰমুখ্যে বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচীৰ প্ৰতি অসমৰ জনসাধাৰণেও আন্তৰিকতাৰে সঁহাৰি জনাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে জিলা প্ৰশাসনে জৰুৰী সেৱা অব্যাহত ৰখাকে ধৰি অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যোগান সু-নিশ্চিত কৰাৰ বাবেও ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। দুই-এঠাইত লক্-ডাউন কাৰ্যসূচী উলংঘা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এয়া দুৰ্ভাগ্যজনক। এনে ধৰণৰ অসাৱধানতাই বিপদ মাতি আনিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে এই সন্দৰ্ভত আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণে উৰা বাতৰিত বিশ্বাস কৰিব নালাগে। চৰকাৰে কৰ'না ভাইৰাছ সংক্ৰমণৰ প্ৰতিৰোধৰ বাবে লোৱা ব্যৱস্থাৱলী চৰকাৰী বিজ্ঞাপনৰ জৰিয়তে প্ৰকাশ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক দিন কেইটাতো জনসাধাৰণে সামাজিক দূৰত্ব বজাই ৰাখি নিজৰ গৃহতে থাকিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন ৰাজ্যত থকা অসমৰ লোকসকলে লক্-ডাউনৰ সময়ছোৱাত যাতে নিৰাপদে থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ৰাজ্যলৈ পত্ৰ প্ৰেৰণ কৰিছে। অসম চৰকাৰেও তেনেকুৱা ধৰণৰ পত্ৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰাৰ লগতে কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধৰ বাবে সাজু কৰি ৰখা আছুতীয়া কক্ষসমূহো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে চিকিৎসা মহাবিদ্যালয়খনত আয়োজিত দুখন বৈঠকতো অংশ গ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াৰ উপস্থিতিত অনুষ্ঠিত প্ৰথমখন বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধ ব্যৱস্থাপনাৰ বিভিন্ন বিষয় মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে জৰুৰীকালীন সেৱা সমূহৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ যোগান সুনিশ্চিত কৰি ৰখাৰ বাবেও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰপেটাৰ জনসাধাৰণক যাতে দুৱাৰমুখতে সেৱা আগবঢ়াব পৰা যায় তাৰ বাবে সকলোৱে এটা টীম হিচাপে দৃঢ়তাৰে কাম কৰিব লাগিব। আনহাতে, আৰক্ষী অধীক্ষক গৰাকীয়ে আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে। ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পলতালৰ বিভিন্ন বিভাগৰ মুৰব্বী অধ্যাপকসকলৰ সৈতে হোৱা আন এক বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে চিকিৎসক, নাৰ্ছ, আশা কৰ্মী, ছাফাই কৰ্মী, টেকনিচিয়ান, এম্বুলেঞ্চৰ চালক প্ৰমুখ্যে চিকিৎসা সেৱাৰ লগত জড়িত সকলোৱে কৰ'না ভাইৰাছৰ বিৰুদ্ধে আৰম্ভ হোৱা যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব বহন কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে চিকিৎসা সেৱাৰ লগত জড়িত সকলোৱে প্ৰধান যোদ্ধা হিচাপে অনাগত দিনটো কাম কৰি যাব লাগিব।

বৈঠকত বৰপেটা জিলাৰ উপায়ুক্ত, চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, আৰক্ষী অধীক্ষক উপস্থিত আছিল।

**পুঃডেঃ**
**৩০/০৩/২০২০**